**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল ভাৰত পদক্ষেপৰ জৰিয়তে সু-প্ৰশাসন, নাগৰিক সৰলীকৰণ আৰু সামগ্ৰিক উন্নয়ন সম্ভৱ হৈছে বুলি প্ৰকাশ কৰে।

২। কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহান, কিৰেণ ৰিজিজু আৰু অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দুৱে আজি ৰাজ্যখনৰ বানত ক্ষতিগ্ৰস্ত অঞ্চলসমূহ বিমানেৰে পৰিদৰ্শন কৰে।

৩। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে চিকিৎসক দিৱস উপলক্ষে দেশৰ সকলো চিকিৎসকলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। সমগ্ৰ দেশতে আজিৰে পৰা বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চয়তা আৰু জীৱিকা অভিযান কাৰ্যকৰী হৈছে।

আৰু

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নকআউটত মেক্সিকোৱে ইকুৱেডৰক ২-০ গ'লত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ডিজিটেল ভাৰত পদক্ষেপৰ জৰিয়তে সু-প্ৰশাসন, নাগৰিক সৰলীকৰণ আৰু সামগ্ৰিক উন্নয়ন সম্ভৱ হৈছে বুলি প্ৰকাশ কৰে। ডিজিটেল ভাৰত পদক্ষেপৰ ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে ডিজিটেল ভাৰতে সকলোৰে জীৱনক চুই গৈছে। ইয়াৰ ভিতৰত ডিজিটেল লেনদেন ব্যৱস্থাই সকলোকে লাভৱান কৰাৰ লগতে লেনদেন প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে প্ৰযুক্তিয়ে জীৱন-যাপনৰ প্ৰক্ৰিয়া সহজ কৰি তুলিছে।

প্ৰধানমন্ত্ৰীয়ে ডিজিটেল ভাৰতৰ জৰিয়তে দেশৰ সকলো অঞ্চলত বিশেষকৈ গাঁওসমূহত আৰু টায়াৰ টু আৰু টায়াৰ থ্ৰী পৰ্যায়ৰ নগৰসমূহত উদ্ভাৱনৰ নতুন ঢৌ উঠিছে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে দেশৰ প্ৰতিটো প্ৰান্তৰ পৰা ওলাই অহা যুৱ উদ্যমী, ষ্টাৰ্টআপ্‌ছ আৰু উদ্ভাৱকসকলে আমাৰ পৃথিৱীখনে মুখামুখি হৈ অহা বিভিন্ন প্ৰত্যাহ্বানৰ সমাধান সূত্ৰ উলিয়াবলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে এই পদক্ষেপৰ জৰিয়তে শিক্ষা, স্বাস্থ্যখণ্ড, স্বাস্থ্য, কৃষি, বাণিজ্য আৰু জনসেৱা প্ৰক্ৰিয়া অধিক শক্তিশালী হৈ উঠিছে।

প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে ডিজিটেল ভাৰতৰ জৰিয়তে দেশে ডিজিটেল ক্ষেত্ৰখনত প্ৰগতি লাভ কৰিছে। তেওঁ কয়, যে দেশে প্ৰযুক্তিৰ জৰিয়তে মানৱতা, নাগৰিকৰ সৰলীকৰণ আৰু বহনক্ষম উন্নয়নৰ বাবে কাম কৰি আহিছে।

ডিজিটেল ভাৰতৰ জৰিয়তে বিগত ১১ বছৰত দেশে ডিজিটেল জন আন্তঃগাঁথনি পৰিৱেশ তন্ত্ৰ গঢ়ি তুলিছে। স্বাস্থ্য, শিক্ষা, দক্ষতা, কৃষি, জনকল্যাণ আদি ক্ষেত্ৰসমূহলৈ এই পদক্ষেপৰ প্ৰসাৰ ঘটিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে চৰকাৰে দেশক ডিজিটেল ৰাষ্ট্ৰলৈ পৰ্যবসিত কৰিছে। ডিজিটেল সংযোগ, ডিজিটেল প্ৰশাসন আৰু জনসেৱা উন্নত কৰি ডিজিটেল ভাৰতৰ পদক্ষেপ প্ৰসাৰিত কৰিছে। ডিজিটেল ভাৰত পদক্ষেপৰ ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে

দেশে ইণ্টাৰনেট সংযোগ, ডিজিটেল আন্তঃগাঁথনি আৰু প্ৰযুক্তি নিৰ্ভৰ প্ৰশাসনৰ সাক্ষী হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয়, যে ১০৩ কোটিতকৈও অধিক লোক বৰ্তমান ইণ্টাৰনেট সেৱাৰে সংযুক্ত হোৱাৰ লগতে ২ লাখতকৈও অধিক গাঁও ভাৰত নেটৰ জৰিয়তে সংযুক্ত হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে প্ৰত্যক্ষ লাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ জৰিয়তে ৫১ লাখ কোটি টকা হিতাধিকাৰীসকললৈ হস্তান্তৰ কৰিব পৰা হৈছে। ভাৰত বৰ্তমান ডিজিটেল লেনদেনৰ ক্ষেত্ৰত বিশ্বৰ অন্যতম উল্লেখযোগ্য দেশ হৈ পৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান, কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু আৰু অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দুৱে আজি ৰাজ্যখনৰ বানত ক্ষতিগ্ৰস্ত অঞ্চলসমূহ বিমানেৰে পৰিদৰ্শন কৰে। দলটোৱে প্ৰথমে পূব ছিয়াং জিলাৰ আটাইতকৈ ক্ষতিগ্ৰস্ত পাছিঘাট অঞ্চল পৰিদৰ্শন কৰে। ইয়াৰ পাছত তেওঁলোকে বোয়িং গাঁৱৰ বান পৰিস্থিতিৰ বুজ লয়। আকস্মিক বান আৰু ভূমিস্খলনৰ ফলত এই গাঁওখনৰ ২০টাৰো অধিক বাসগৃহ পানীত বুৰ যোৱাৰ লগতে বহু পৰিমাণৰ শস্য আৰু পশুধনৰ হানি হয়। কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে বানত গৃহহীন হোৱা গাঁওবাসীসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ এই লোকসকলক কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা আৰ্থিক আৰু আন্তঃগাঁথনিমূলক সাহায্য প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে ৰাজ্যিক প্ৰশাসনৰ সহযোগত উদ্ধাৰ অভিযান শীঘ্ৰেই সম্পন্ন কৰাৰ নিশ্চয়তা প্ৰদান কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বানৰ সময়ত স্থানীয় স্বেচ্ছাসেৱী তথা গাঁওবাসীয়ে দেখুওৱা সাহসৰ প্ৰশংসা কৰে। অৰুণাচল প্ৰদেশৰ বান পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে শ্ৰীচৌহান কালি ৰাজ্যখনত উপস্থিত হয়। আজি তেওঁ অসম ভ্ৰমণ কৰি ৰাজ্যখনৰ বান পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ লগতে সন্ধিয়া গুৱাহাটীত আয়োজিত এখন বৈঠকত জ্যেষ্ঠ বিষয়াসকলৰ পৰা বান ব্যৱস্থাপনা, সাহায্য বিতৰণকে ধৰি বিভিন্ন দিশ আলোচনা কৰিব।

ইয়াৰ আগেয়ে গৃহমন্ত্ৰী অমিত শ্বাহে কালি মুখ্যমন্ত্ৰী শ্ৰীখাণ্ডুৰ সৈতে টেলিফোনযোগে মত বিনিময় কৰে। মত বিনিময়কালত মুখ্যমন্ত্ৰী খাণ্ডুৱে ৰাজ্যখনৰ বান ব্যৱস্থাপনা, উদ্ধাৰ আৰু সাহায্য অভিযানৰ বিষয়ে শ্ৰীশ্বাহক অৱগত কৰে। অৰুণাচলৰ মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যপাল কে টি পাটনায়কক লোকভৱনত সাক্ষাৎ কৰি বান পৰিস্থিতি সন্দৰ্ভত অৱগত কৰে।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ বান আৰু ভূমিস্খলনত বৰ্তমানলৈকে ৪জন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ২১জন লোক আহত হৈছে। বানত ২৮খন জিলাৰ ৯০ হাজাৰ ৪৯৯জন লোক প্ৰভাৱিত হৈছে। ইয়াৰে উজনি ছিয়াং জিলাত সৰ্বাধিক ৪৭ হাজাৰ ৩৫৭জন লোক প্ৰভাৱিত হোৱাৰ লগতে ছিয়াং জিলাত ২৩ হাজাৰ ৭১৫, ক্ৰা দাদি জিলাত ৮ হাজাৰ ১৭১ আৰু পূব কামেং জিলাত ৫ হাজাৰ ৮৯৫ জন লোক বানত প্ৰভাৱিত হৈছে।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে চিকিৎসক দিৱস উপলক্ষে দেশৰ সকলো চিকিৎসকলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে মানৱতাৰ সেৱাৰ ক্ষেত্ৰত চিকিৎসকলকৰ নিষ্ঠা, সহমৰ্মিতা, দক্ষতা আৰু সমৰ্পনৰ শলাগ লয়। তেওঁ কয় যে বিগত বছৰসমূহত দেশে স্বাস্থ্য সেৱা খণ্ডত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে বিশ্বৰ সৰ্ববৃহৎ কোভিড-১৯ প্ৰতিষেধক প্ৰদান অভিযান, আয়ুষ্মান ভাৰত পদক্ষেপৰ জৰিয়তে সুলভ স্বাস্থ্য সেৱাৰ সুবিধা, স্বাস্থ্যসেৱা আন্তঃগাঁথনি শক্তিশালী কৰা আৰু উন্নত স্বাস্থ্য সেৱাৰ দিশত গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে ডিজিটেল স্বাস্থ্য সেৱাৰ

বিকাশত আলোকপাত কৰে। জৰুৰী সময়ত ৰোগীৰ জীৱনক সুৰক্ষা প্ৰদানৰ পৰা আৰম্ভ কৰি উদ্ভাৱন আৰু গৱেষণাৰ জৰিয়তে চিকিৎসা বিজ্ঞানৰ অগ্ৰগতিলৈ চিকিৎসকসকলৰ নিৰন্তৰ সেৱাই কৰ্তব্য, ত্যাগ আৰু সহমৰ্মিতাৰ উচ্চ নিদৰ্শন দাঙি ধৰে বুলি শ্ৰীৰাধাকৃষ্ণণে উল্লেখ কৰে।

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই চিকিৎসক দিৱস উপলক্ষে তেওঁলোকৰ অটল নিষ্ঠাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। এটা ভিডিঅ' বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চিকিৎসকসকলৰ পেছাদাৰিত্ব আৰু মানৱতাৰ প্ৰতি সহমৰ্মিতাৰ সেৱাৰ শলাগ লয়।

বাইট (নাড্ডা)

০০০০০০০০০

সমগ্ৰ দেশতে আজিৰে পৰা বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চয়তা আৰু জীৱিকা অভিযান অৰ্থাৎ ভিবি জি ৰামজী আইন কাৰ্যকৰী হৈছে। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই আইনৰ অধীনত প্ৰতিটো বৰ্ষত ১২৫ দিনৰ নিয়োগ নিশ্চিতি প্ৰদান কৰা হ'ব। ইয়াৰ দ্বাৰা গ্ৰামীণ ভাৰত শক্তিশালী কৰাৰ পথ প্ৰশস্ত হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। এই ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে চলিত বিত্তীয় বৰ্ষত ৯৫ হাজাৰ ৬৯২ কোটি টকা ধাৰ্য কৰা হৈছে। এই সন্দৰ্ভত কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে নতুন ব্যৱস্থাৰ অধীনত গ্ৰামাঞ্চলৰ কোনো কৰ্মীয়ে এদিনৰ বাবেও কৰ্মহীন হৈ থাকিব নালাগিব। কেন্দ্ৰীয় চৰকাৰে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ সহযোগত এই পদক্ষেপ কাৰ্যকৰী কৰাৰ বাবে সকলো প্ৰশাসনীয়, বিত্তীয় আৰু কাৰিকৰী প্ৰস্তুতি সম্পূৰ্ণ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে কয়। উল্লেখযোগ্য যে ভিবি জি ৰামজী আইন ২০০৫ চনৰ মহাত্মা গান্ধী গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আইনৰ ঠাইত গ্ৰামাঞ্চলত নিয়োগ সৃষ্টিৰ বাবে কাৰ্যকৰী কৰা হৈছে।

০০০০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱা মেক্সিকো চিটী ষ্টেডিয়ামত অনুষ্ঠিত নকআউট পৰ্যায়ৰ এখন খেলত মেক্সিকোই ইকুৱেডৰক ২-০ গ'লত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। মেক্সিকোৰ হৈ ৰাউল জিমেনেজ আৰু জুলিয়ান কুইন'ঞ্জে এটাকৈ গ'ল দিয়ে। মেক্সিকোই বিগত ৪০ বছৰত প্ৰথমবাৰৰ বাবে নকআউট পৰ্যায়ৰ খেলত অৱতীৰ্ণ হৈছে। দলটোৱে অহা দেওবাৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ইংলেণ্ড অথবা ডেমক্ৰেটিক ৰিপাব্লিক অব কংগোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

সমাপ্ত